# 2014

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ : ১×১০=১০

(ক) কোন শতিকাত অসমীয়া চুটিগল্পৰ জন্ম হয়?

(খ) 'আৱাহন' আলোচনীৰ প্ৰথমগৰাকী সম্পাদক কোন?

(গ) ৰামধেনু যুগৰ এজন গল্পকাৰৰ নাম লিখাঁ।

(ঘ) "বাৰু বোপাহঁত কুশলে থাক" বুলি আমুকা পণ্ডিতে কাক কৈছিল?

(ঙ) 'ভাগবাটোৱাৰা'ত কোনটো পুৰুষ চৰিত্ৰক অদৃষ্টবাদীৰূপে দেখুওৱা হৈছে?

(চ) "বেমাৰীৰ চিকিৎসা আগ, তাৰ পিছতহে ডাক্তৰৰ কথা।" এইষাৰ কাৰ কথা?

(ছ) 'অৱগাহন'ৰ মহৎ নাৰী চৰিত্ৰটোৰ সম্পূৰ্ণ নাম লিখাঁ।

(জ) ৰজনীকান্ত বৰদলৈক কোনজন ইংৰাজ ঔপন্যাসিকৰ লগত তুলনা কৰা হয়?

(ঝ) ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা সৰ্বমুঠ উপন্যাস কেইখন?

(ঞ) নিৰ্মল ভকতৰ লগত কোনখন সত্ৰৰ নাম জড়িত হৈ আছে?

২। চমু উত্তৰ দিয়াঁ : ২×৫=১০

(ক) ৰামেশ্বৰৰ দেউতাকৰ নাম কি? তেওঁ কেনেকুৱা খৰম পিন্ধিছিল?

(খ) হেমন্ত ঘৰ এৰি ক'লৈ গৈছিল? এই যাত্ৰাত সৰ্বমুঠ কেইজন মহৰী আছিল?

(গ) ডাক্তৰ চলিহাৰ লগত বিভূতি হাজৰিকাৰ পৰিচয় ক'ত হৈছিল? বিভূতি হাজৰিকাই তেতিয়া কি পঢ়ি আছিল?

(ঘ) "আপুনি আমাৰ ধৰ্মৰ বিষয়ে বহুত জানে।" 'অৱগাহন' গল্পত এই কথাষাৰ কোনে, কাক কৈছে?

(ঙ) কাৰ সৈতে হোৱা যুদ্ধত নিৰ্মল পৰাজিত হৈছিল? তেওঁ যুদ্ধবন্দী ৰূপে ক'লৈ যাবলগীয়া হৈছিল?





৩। চমুকৈ লিখাঁ (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া চুটিগল্পৰ প্ৰাৰম্ভিক স্তৰৰ বিষয়ে চমুকৈ লিখাঁ।

(খ) ধোঁৱাখোৱাৰ অভ্যাসে ৰামেশ্বৰৰ জীৱনলৈ কেনে দুৰ্গতি মাতি আনিলে?

(গ) 'ডাক্তৰ'ত ডাক্তৰ চক্ৰৱৰ্তীৰ কেনেধৰণৰ কৰ্মৰ কথা বৰ্ণিত হৈছে, চমুকৈ লিখাঁ।

(ঘ) 'অৱগাহন' গল্পৰ মূল বক্তব্যবিষয় কি?

(ঙ) কেনেধৰণৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি হেমন্ত বিদেশলৈ গৈছিল?

(চ) ঐতিহাসিক উপন্যাসৰ বিশেষত্বসমূহ বৰ্ণনা কৰাঁ।

৪। (ক) 'ধোঁৱাখোৱা' গল্পত কোন সময়ৰ আৰু কেনেধৰণৰ সমাজ চিত্ৰিত হৈছে? ১০

*অথবা*

'ভাগবাটোৱাৰা' গল্পৰ যি কোনো এটা পুৰুষ চৰিত্ৰ বিশ্লেষণ কৰাঁ।

(খ) 'ডাক্তৰ' গল্পটো চুটিগল্প হিচাপে বিচাৰ কৰাঁ। ১০

*অথবা*

মিচেচ্ ফিল্ডৰ কৰ্মৰাজি সম্পৰ্কে কি জানা, লিখাঁ।

(গ) 'নিৰ্মল ভকত'ৰ পটভূমি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১০

অথবা

'নিৰ্মল ভকত'ৰ ৰূপহী চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

৫। ৰচনা লিখাঁ (যি কোনো এটা বিষয়ৰ) : ১০

(ক) সমাজ সংগঠনত ছাত্ৰৰ ভূমিকা

(খ) দুৰ্নীতি আৰু অসমৰ সমাজব্যৱস্থা

(গ) নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

(ঘ) সমাজ আৰু সাহিত্য

★ ★ ★